# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-09-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

***::::::::::::::::::::::::::::::::::::::::::***

১। ভাৰত ভ্ৰমণৰত মৰিচাচৰ প্ৰধানমন্ত্ৰী নবীনচন্দ্ৰ ৰামগুলামে আজি ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে।

২। প্ৰধানমমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লাভ কৰা এহেজাৰ ৩০০ ৰো অধিক উপহাৰ আজিৰে পৰা অনলাইযোগে নিলাম কৰা হৈছে।

৩। ৰাষ্ট্ৰীয় জলপানি পোৰ্টেলৰ জৰিয়তে ২০২৫-২৬ বৰ্ষৰ ৰাষ্ট্ৰীয় মেধা তথা আৰ্থিক জলপানিৰ বাবে আবেদন দাখিলৰ অন্তিম দিন  ৩০ ছেপ্তেম্বৰলৈ বৃদ্ধি কৰা হৈছে।

৪। চিকিৎসা প্ৰযুক্তি খণ্ডত ভাৰতৰ স্বাস্থ্য খণ্ডৰ পৰিৱৰ্তনৰ মূল স্তম্ভৰূপে পৰিগণিত হৈছে বুলি কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই প্ৰকাশ কৰিছে। ***আৰু***

৫। ভাৰতৰ মহিলা ক্ৰিকেট দলৰ অধিনায়ক স্মৃতি মান্ধানাই আই চি চিৰ মহিলা ক্ৰিকেটৰ এদিনীয়া বেটিঙৰ ৰেংকিঙত পুনৰ শীৰ্ষ স্থান অৰ্জন কৰিবলৈ সমৰ্থ হৈছে।

০০০০

ভাৰত ভ্ৰমণৰত মৰিচাচৰ প্ৰধানমন্ত্ৰী নবীনচন্দ্ৰ ৰামগুলামে আজি ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে। অভ্যাগত আৰু তেওঁৰ প্ৰতিনিধিবৰ্গক আদৰণি জনাই ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে ভাৰতৰ চুবুৰীয়া প্ৰথম নীতি, মহাসাগৰ দৃষ্টিভংগী আৰু গ্লোবেল চাউথ অৰ্থাৎ ঔদ্যোগিক আৰু অৰ্থনৈতিক দিশৰ পৰা তুলনামূলকভাৱে কম উন্নত বুলি বিবেচিত ৰাষ্ট্ৰসমূহৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাত মৰিচাচৰ বিশেষ স্থান আছে। দুয়োখন ৰাষ্ট্ৰৰ মাজত প্ৰতিটো ক্ষেত্ৰতে সহযোগিতা আৰু অংশীদাৰিত্ব ক্ৰমাৎ বৃদ্ধি পাইছে আৰু এই সম্পৰ্ক শেহতীয়াকৈ কৌশলগত সহযোগিতালৈ উন্নীত হৈছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে মন্তব্য কৰে।

নতুন দিল্লী মহলে মৰিচাচৰ চৰকাৰৰ উন্নয়নমূলক অগ্ৰাধিকাৰ সমূহৰ প্ৰতি সমৰ্থন আগবঢ়াই অহা কথাটোলৈ সন্তুষ্টি প্ৰকাশ কৰি শ্ৰীমতী মুৰ্মুৱে ভাৰতে আগবঢ়োৱা নতুন বিশেষ অৰ্থনৈতিক পেকেজে দেশখনৰ চৰকাৰ আৰু জনসাধাৰণৰ আৱশ্যকতা পূৰণ কৰিব পাৰিব বুলি আস্থা প্ৰকাশ কৰে। তেওঁ কয় যে চিকিৎসালয়, পথ, বন্দৰ উন্নয়ন, প্ৰতিৰক্ষা ক্ৰয় আৰু যৌথ নিৰীক্ষণকে ধৰি বিভিন্ন প্ৰকল্পসমূহে আন্তঃগাথনি খণ্ডক শক্তিশালী কৰি তুলিব আৰু অনাগত সময়ত জনসাধাৰণৰ জীৱনত ইতিবাচক প্ৰভাৱ পেলাব। তেওঁ লগতে কয় যে দুয়ো দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক ডিজিটেল প্ৰযুক্তি আৰু মহাকাশ খণ্ডকে ধৰি নতুন নতুন ক্ষেত্ৰলৈ সম্প্ৰসাৰিত হৈছে। প্ৰধানমন্ত্ৰী ৰামগুলামৰ নেতৃত্বত ভাৰত আৰু মৰিচাচৰ মাজৰ পুৰণি দ্বিপাক্ষিক সম্পৰ্ক অনাগত সময়ত অধিক সুদৃঢ় হৈ উঠিব বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে আশা প্ৰকাশ কৰে। এই বৈঠকেৰে প্ৰধানমন্ত্ৰী ৰামগুলামৰ ৮ দিনীয়া ভাৰত ভ্ৰমণৰ সামৰণি পৰে। এই সময়চোৱাত অভ্যাগত প্ৰধানমন্ত্ৰীগৰাকীয়ে মুম্বাই, বাৰানসী, অযোধ্যা আৰু তিৰুপতি ভ্ৰমণ কৰে।

০০০০

প্ৰধানমমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লাভ কৰা এহেজাৰ ৩০০ ৰোৰ অধিক উপহাৰ আজিৰে পৰা অনলাইযোগে নিলাম কৰা হৈছে বুলি কেন্দ্ৰীয় সাংস্কৃতিক আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিঙে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি প্ৰধানমন্ত্ৰীয়ে লাভ কৰা স্মাৰকৰ সপ্তমলানি ই - নিলাম অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয় যে নিলাম কৰিবলগীয়া সামগ্ৰীসমূহৰ ভিতৰত চিত্ৰকৰ্ম, শিল্পকৰ্ম, ভাস্কৰ্য, দেৱ-দেৱীৰ মূৰ্তি আৰু অন্য কিছুমান সামগ্ৰী আছে। তেওঁ কয় যে এই নিলামৰ জৰিয়তে লাভ কৰা ধনৰাশি নমামি গংগে অভিযানৰ লেখিয়া চৰকাৰী উদ্যমসমূহত বিনিয়োগ কৰা হ'ব। চৰকাৰী এই নিলামৰ পূৰ্বৰ সংস্কৰণৰ জৰিয়তে ৫০ কোটিৰো অধিক টকা অৰ্জন কৰা বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০

ৰাষ্ট্ৰীয় জলপানি পোৰ্টেলৰ জৰিয়তে ২০২৫-২৬ বৰ্ষৰ ৰাষ্ট্ৰীয় মেধা তথা আৰ্থিক জলপানিৰ বাবে আবেদন দাখিলৰ অন্তিম দিন ৩০ ছেপ্তেম্বৰলৈ বৃদ্ধি কৰা হৈছে। শিক্ষামন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে যে অকল ৰাজ্য চৰকাৰৰ দ্বাৰা পৰিচালিত, চৰকাৰী সাহায্যপ্ৰাপ্ত আৰু স্থানীয় নিকায়ৰ দ্বাৰা পৰিচালিত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়েহে এই জলপানিৰ বাবে আবেদন কৰিব পাৰিব। ইয়াৰ অধীনত শিক্ষাৰ্থীসকলক বছৰি ১২ হাজাৰ টকা প্ৰদান কৰা হ'ব।

০০০০

শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে সকলো পৰ্যায়তে পৰিষ্কাৰ পৰিচ্ছন্নতাৰ অভ্যাস আৰু প্ৰথাসমূহ আনষ্ঠানিক প্ৰবৃত্তি পৰিণত কৰাৰ উদ্দেশ্যে মাহজোৰা বিশেষ পৰিষ্কাৰ-পৰিচ্ছন্নতা অভিযানৰ পঞ্চম পৰ্যায়ৰ ঘোষণা কৰিছে। অহা ২ অক্টোবৰৰ পৰা আৰম্ভ হ'বলগীয়া এই অভিযানত দায়িত্বশীল প্ৰশাসন, স্বচ্ছতা আৰু নাগৰিক কেন্দ্ৰীক দৃষ্টিভংগীৰ প্ৰতি মন্ত্ৰালয়ৰ প্ৰতিশ্ৰুতিবদ্ধতাত গুৰুত্ব আৰোপ কৰা হ'ব। চৰকাৰে বিভিন্ন মন্ত্ৰালয়, স্থানীয় নিকায় আৰু আঞ্চলিক নিকায়সমূহত আধৰুৱা হৈ থকা কাম-কাজ হ্ৰাস কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই বৰ্তমানৰ চিকিৎসা প্ৰযুক্তিৰ দিশটোৰ ওপৰত জোৰ দি কৈছে যে এতিয়াৰ ভাৰতৰ স্বাস্থ্য খণ্ডলৈ অহা পৰিৱৰ্তনসমূহত এই প্ৰযুক্তিগত ব্যৱস্থা মাইলৰ খুটি হিচাপে পৰিগণিত হৈছে। নতুন দিল্লীত ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে একাদশ এছিয়া পেচিফিক মেড টেক ফ'ৰাম ২০২৫ উদ্বোধন কৰি দিয়া ভাষণত মন্ত্ৰীজনে এনেদৰে ব্যক্ত কৰে। এই ক্ষেত্ৰখনত থকা বহল পৰিসৰৰ সুবিধাসমূহ, চিকিৎসা ব্যৱস্থা, উন্নত মানৰ চিকিৎসাৰ আহিলাপাতি, ডিজিটীয় ব্যৱস্থাৰে কৰা স্বাস্থ্য পৰীক্ষা আৰু কৃত্ৰিম বুদ্ধিমত্তাৰে উলিওৱা ৰোগৰ বিভিন্ন উপশমবোৰে স্বাস্থ্য সেৱাৰ ক্ষেত্ৰখন জনসাধাৰণৰ বাবে সহজলভ্য আৰু বহনক্ষম কৰি তুলিবলৈ সক্ষম হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে উন্নত মানৰ সামগ্ৰীৰ নিৰ্মাণ, জটিল প্ৰযুক্তিসমূহৰ গৱেষণা আৰু বিকাশ তথা গোলকীয় স্তৰত চাহিদা পূৰণৰ বাবে এই ফ'ৰামৰ ভাৰতীয় সদস্যসকলে উল্লেখযোগ্য ভূমিকা পালন কৰিব পাৰিব বুলিও উল্লেখ কৰে। চিকিৎসা সামগ্ৰীৰ নিৰ্মাণৰ ক্ষেত্ৰত এশ শতাংশ বিদেশী বিনিয়োগকাৰীক সামৰি লব পৰা বিষয়টোত বৰ্তমানৰ চৰকাৰখনে বিনিয়োগৰ সুবিধা হোৱাকৈ প্ৰস্তুত কৰা নীতিসমূহৰ বিষয়েও মন্ত্ৰীগৰাকীয়ে নিজৰ ভাষণত উল্লেখ কৰে।

০০০০

কেন্দ্ৰীয় পৰিবেশ, বন আৰু জলবায়ু সংৰক্ষণ মন্ত্ৰী ভূপেন্দ্ৰ নাথ যাদৱে আজি কয়, যে শীত নিয়ন্ত্ৰণ বিষয়ক কাৰ্যপন্থা ৰূপায়ণৰ ক্ষেত্ৰত ভাৰতে বৰ্তমান বিশ্বৰ আগশাৰীৰ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। নতুন দিল্লীত অনুষ্ঠিত একত্ৰিংশতিতম **অ'জন দিৱস** উদ্‌যাপনৰ অনুষ্ঠানত দৃশ্য মাধ্যমযোগে দিয়া তেওঁৰ ভাষণত হাইড্ৰ'ফ্লোৰো কাৰ্বনৰ উৎপাদন আৰু ব্যৱহাৰ ৬৭ দশমিক ০- ৫ শতাংশলৈ হ্ৰাস পোৱা বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। মন্ত্ৰালয়ৰ সচিব

তন্ময় কুমাৰে সকলোকে অপ্ৰয়োজনীয়ভাৱে হোৱা হাইড্ৰ'ফ্লোৰো কাৰ্বনৰ ব্যৱহাৰ কমাই জৈৱ সম্পদসমূহৰ ব্যৱহাৰ বঢ়োৱাৰ অভ্যাস গঢ়ি তুলিবলৈ অনুৰোধ জনায়। মন্ত্ৰী যাদৱে লগতে উল্লেখ কৰে যে পৰিবেশ মন্ত্ৰালয়ে কৌশল বিকাশ আৰু উদ্যমিতা মন্ত্ৰালয়ৰ সৈতে যুটীয়াভাৱে ল'বলগীয়া এটা পদক্ষেপত দেশৰ ১২০ টা ঔদ্যোগিক প্ৰতিষ্ঠানৰ শিক্ষাৰ্থীসকলক সামৰি সেই খণ্ডত থকা প্ৰত্যাহ্বানসমূহৰ মুখামুখি হ'ব পৰাকৈ শিক্ষাৰ্থীসকলক প্ৰস্তুত কৰি উলিয়াবলৈ অতি শীঘ্ৰে কেইবাটাও প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব। অনুষ্ঠানত দেশৰ বিভিন্ন ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীৰ লগতে বহু প্ৰতিনিধিয়ে অংশ গ্ৰহণ কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে আজি উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামীলৈ টেলিফোন কৰি ৰাজ্যখনত প্ৰবল বৰষুণে সৃষ্টি কৰা পৰিস্থিতিৰ বুজ লয়। প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীয়ে ৰাজ্যখনলৈ সকলোধৰণৰ সাহায্য আগবঢ়োৱাৰ আশ্বাস দিয়ে। মুখ্যমন্ত্ৰী ধামীয়ে প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীক ধন্যবাদ জনাই কয়, যে তেওঁলোকৰ সমৰ্থনে ৰাজ্যখনত সাহায্য অভিযান খৰতকীয়া কৰি তোলাত সহায় কৰিব।

০০০০

নতুন দিল্লীৰ ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলাকেন্দ্ৰৰ সম্ভেট প্ৰেক্ষাগৃহত আজি আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ ভিত্তিত এখন কলা প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। কেন্দ্ৰটোৰ কলাদৰ্শন বিভাগৰ বিভাগীয় মুৰব্বী অধ্যাপক ৰিচা কাম্বোজৰ পৰিকল্পনাত আয়োজিত এই প্ৰদৰ্শনীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী বাত অনুষ্ঠানৰ দ্বাৰা প্ৰভাৱিত হয়। জ্যেষ্ঠ শিল্পী মনজিৎ সিঙে অঁকা এলানি ছবি প্ৰদৰ্শন কৰা হ'ব। এই প্ৰদৰ্শনী কাইলৈৰ পৰা ২২ ছেপ্তেম্বৰলৈকে দিনৰ চাৰে ১০ বজাৰ পৰা সন্ধিয়া চাৰে ৬ বজালৈকে মুকলি থাকিব।

০০০০

ভাৰতীয় মহিলা ক্ৰিকেট দলৰ অধিনায়ক স্মৃতি মান্ধানাই আই চি চি মহিলা ক্ৰিকেটৰ একদিনীয়া বেটিঙৰ ৰেংকিঙত পুনৰ শীৰ্ষ স্থান অৰ্জন কৰিবলৈ সক্ষম হৈছে। ইংলেণ্ডৰ মহিলা ক্ৰিকেট দলৰ অধিনায়ক স্কীপাৰ নেট স্কীভাৰ ব্ৰুণ্টক অতিক্ৰম কৰি তেওঁ এই স্থান দখল কৰিছে। যোৱা দেওবাৰে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে মান্ধানাই ৬৩ টা বলত ৫৮ ৰান কৰিবলৈ সমৰ্থ হৈছিল। তেওঁ ইংলেণ্ডৰ অধিনায়কগৰাকীতকৈ ৪ পইণ্টত আগবাঢ়ি আই চি চি ৰেংকিঙত ৭ পইণ্টেৰে শীৰ্ষ স্থান দখল কৰিছে।

০০০০

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি নিশা ৮ বজাত আবু ধাবিত হ'বলগীয়া এখন খেলত বাংলাদেশ, আফগানিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ডুবাইৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত যোৱা নিশা অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত শ্ৰীলংকাই হংকঙক ৪ উইকেটত পৰাস্ত কৰে। আবু ধাবিৰ জায়েদ ক্ৰিকেট ষ্টেডিয়ামত যোৱা নিশা অনুষ্ঠিত গ্ৰুপ-এৰ আন এখন খেলত সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰই-ওমানক ৪২ ৰানত পৰাজিত কৰে।

০০০০

সমাপ্ত